শিৱসিংহৰ ৰাজত্বৰ এটি পৰ্যালোচনা আগবঢ়োৱা।

স্বৰ্গদেউ শিৱসিংহৰ ৰাজত্বকাল অসমৰ ইতিহাসৰ এক গুৰুত্বপূৰ্ণ অধ্যায় কিয়নো এওঁৰ দিনতেই অসমবাসীৰ মাজে আহোম সিংহাসনত মহিলাই আৰোহণ কৰি ৰজাৰ দৰে ৰাজকাৰ্য পৰিচালনা কৰিছিল।

শিৱসিংহই কামাখ্যাৰ কৃষ্ণৰাম ন্যায়বাগীশৰ উপৰত শৰণ লৈছিল আৰু হিন্দু ধৰ্ম ৰাজধৰ্মত পৰিণত হৈছিল। শিৱসিংহৰ দিনত পুৰণিগুদামৰ ডফলাবোৰে উপদ্ৰৱ কৰাত এদল সৈন্য পঠিয়াই তেওঁলোকক দমন কৰা হয়। তেওঁৰ দিনত জিলা আৰু পৰগণাত মাটি জৰীপ কৰা হয় আৰু মাটিক দেৱোত্তৰ, ব্ৰহ্মোত্তৰ, ধৰ্মোত্তৰ, নিষ্কৰ আদি শ্ৰেণীত বিভক্ত কৰি সেইবোৰৰ তথ্য ৰখাৰ নিয়ম কৰা হয়। শিৱসিংহই অশ্বক্লান্ত আৰু দীৰ্ঘেশ্বৰীৰ দ'ল নিৰ্মাণ কৰাইছিল।

<u>বৰৰজা ফুলেশ্বৰী:</u> শিৱসিংহৰ ৰাজত্বৰ কিছুবছৰ পিছতেই পণ্ডিত-জ্যোতিষী সকলে ৰজাৰ "ছত্ৰভংগ যোগ" পৰা বুলি কোৱাত ৰজাই ভয়তে সিংহাসন ত্যাগ কৰি প্ৰধান ৰাণী ফুলেশ্বৰীক 'বৰৰজা' উপাধি দি সিংহাসনত অধিষ্ঠিত কৰে। ফুলেশ্বৰীয়ে প্ৰমথেশ্বৰী নাম লয় আৰু ৰজাৰ লগত একেলগে মোহৰ মাৰে।

<u>মোৱামৰীয়া বৈষ্ণৱ মহন্তসকলৰ অপমান:</u> ফুলেশ্বৰী এগৰাকী ঘোৰ শাক্ত আছিল আৰু সকলো প্ৰজাকে শাক্ত ধৰ্ম গ্ৰহণ কৰাবলৈ তেওঁ বিচাৰিছিল। সেয়ে তেওঁ দুৰ্গাপূজা পাতি বৈষ্ণৱ গোঁসাই-মহন্তসকলক নিজৰ নিজৰ শিষ্যসকলৰ [illegible] কৰি আনি

Scanned with CamScanner

বলপূৰ্বক তেওঁলোকক দেৱীৰ আগত সেৱা কৰায়। লগতে তেওঁলোকৰ কপালত বলিৰ তেজেৰে ফোঁট দিয়ায় আৰু প্ৰসাদ খাবলৈ বাধ্য কৰাই তেওঁলোকৰ ধৰ্মত চৰম আঘাত হানে। বৰৰজাৰ এই কাৰ্যটোৱেই পৰৱৰ্তী মোৱামৰীয়া বিদ্ৰোহৰ পটভূমি ৰচিত হৈছিল কাৰণ মোৱামৰীয়া মহন্তসকলে এই অপমানৰ প্ৰতিশোধ লবলৈ দৃঢ় সংকল্প গ্ৰহণ কৰিছিল।

জনহিতকৰ কাৰ্য: ফুলেশ্বৰী এগৰাকী বিদ্যোৎসাহিনী তিৰোতা আছিল। শিক্ষাৰ উন্নতিৰ বাবে তেওঁ কেইবাখনো টোল আৰু এখন পঢ়াশালি স্থাপন কৰিছিল। তেওঁৰ নিৰ্দেশতে গৌৰীসাগৰৰ দ'ল আৰু পুখুৰী স্থাপন কৰা হয়।

বৰৰজা অম্বিকা: ফুলেশ্বৰীৰ মৃত্যুৰ পাছত শিৱসিংহই ফুলেশ্বৰীৰ ভনীয়েক দ্ৰৌপদীক বিয়া কৰাই অম্বিকা নাম দি 'বৰৰজা' পাতে। অম্বিকায়ো নিজৰ নামত শিৱসিংহৰ নামৰ সৈতে মোহৰ কৰায়। অম্বিকাই ফুলেশ্বৰী আদৰ্শ অনুকৰণ কৰি শিৱসাগৰ পুখুৰী খন্দাই তাৰ পাৰত শিৱ দ'ল নিৰ্মাণ কৰায়।

বৰৰজা সৰ্বেশ্বৰী: বৰৰজা অম্বিকাৰ মৃত্যু হোৱাত এইবাৰ শিৱসিংহই অন্যান্য পোঁহাইৰ জীয়েক অনাদৰীক বিয়া কৰাই সৰ্বেশ্বৰী নাম দি বৰৰজা পাতে। এইগৰাকী মহিলায়ো নিজৰ নামত মোহৰ মৰায় আৰু ৰজাৰ দৰে ৰাজকাৰ্য পৰিচালনা কৰে।

স্বৰ্গদেউ শিৱসিংহ আৰু তেওঁৰ ৰাণীসকলৰ পৃষ্ঠপোষকতাত অসমীয়া সভ্যতা আৰু সংস্কৃতিয়ে বিশেষ উন্নতি লাভ কৰে। ভাষা-সাহিত্যৰ ক্ষেত্ৰত কবিৰাজ চক্ৰৱৰ্তীয়ে

Scanned with CamScanner

শিৱ সিংহ আৰু ফুলেশ্বৰীৰ[27] পৃষ্ঠপোষকতাত শকুন্তলা নাটকখন অসমীয়া পদলৈ অনুবাদ কৰে। বৰৰজা অম্বিকাৰ নিৰ্দেশত সুকুমাৰ বৰকাইথে 'হস্তীবিদ্যাৰ্ণৱ' নামৰ সচিত্ৰ পুথিখন ৰচনা কৰে।

Scanned with CamScanner